**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। বিত্তীয় অন্তৰ্ভুক্তিৰ পৰা শিক্ষা, স্বাস্থ্য, অনাময়, গৃহ নিৰ্মাণ, ক্ৰীড়া, বিজ্ঞান আৰু প্ৰশাসনলৈ বিভিন্ন খণ্ডত মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত শ্ৰী অমৰনাথ যাত্ৰাৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ অনুষ্ঠিত হ'বলগীয়া নীট ইউ জিৰ সময় ১৫ মিনিট বৃদ্ধি কৰি ১৮০ মিনিটৰ পৰা ১৯৫ মিনিটলৈ সময় নিৰ্ধাৰণ কৰিছে।

৪। প্ৰসিদ্ধ শ্বুটিং প্ৰশিক্ষক তথা এছিয়ান গেম্ছত সোণৰ পদক বিজেতা যশপাল ৰানাৰ যোৱানিশা দিল্লীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে।

আৰু

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি টৰণ্টো ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কানাডা বছনিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

বিত্তীয় অন্তৰ্ভুক্তি আৰু উদ্যোগীৰ পৰা শিক্ষা, স্বাস্থ্য, অনাময়, গৃহ নিৰ্মাণ, ক্ৰীড়া, বিজ্ঞান আৰু প্ৰশাসনলৈ বিভিন্ন খণ্ডত মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ড্ৰোণ প্ৰযুক্তিৰ দৰে বিকশিত খণ্ডত মহিলাৰ বৰ্ধিত অংশগ্ৰহণে নতুন সুযোগ সৃষ্টি কৰিছে আৰু দেশৰ বিকাশৰ গতি সলনি কৰিছে। বিগত ১২ বছৰত এন ডি এ চৰকাৰে মহিলা নেতৃত্বাধীন বিকাশৰ দিশত কাম কৰি আহিছে আৰু সেয়া বিভিন্ন খণ্ডত দেখা পোৱা গৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে চৰকাৰে আত্মসহায়ক গোটসমূহক সক্ৰিয়ভাৱে সমৰ্থন আগবঢ়াইছে, যাৰ ফলত মহিলাসকল আৰ্থিকভাৱে স্বাৱলম্বী হোৱাত সহায় হৈছে। চৰকাৰৰ এনে প্ৰচেষ্টা মৰ্যাদা, সুযোগ আৰু সৱলীকৰণৰ সৈতে শিপাই আছে বুলি মন্তব্য কৰি তেওঁ কয়, যে ইয়াৰ ফলত মহিলাসকলে তেওঁলোকৰ পূৰ্ণ সম্ভাৱনাক অনুধাৱন কৰিব পৰা এটা পৰিৱেশ সৃষ্টিৰ উপৰি ৰাষ্ট্ৰ নিৰ্মাণত পূৰ্বতকৈ শক্তিশালীভাৱে অৰিহণা যোগোৱাত সহায়ক হৈছে। ভাৰতৰ নাৰী শক্তিয়ে বিজ্ঞান, মহাকাশ আৰু উদ্ভাৱনৰ দৰে খণ্ডত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হোৱাক লৈ প্ৰধানমন্ত্ৰী মোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

ooooooooo

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আন্তঃগাঁথনি উন্নয়ন আৰু যোগাযোগ বৃদ্ধিৰ উদ্দেশ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে অহা ১৫ জুনত শ্বিলং ভ্ৰমণ কৰিব।

মন্ত্ৰী শ্ৰী গাডকাৰীয়ে এই ভ্ৰমণকালত শ্বিলঙৰ লাবিটি কলা কেন্দ্ৰৰ উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনীত হ'বলগীয়া ঘূৰণীয়া মেজমেলত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে উপস্থিত থাকিব। এই সন্মিলনত আন্তঃগাঁথনি উন্নয়ন, আঞ্চলিক বিকাশৰ বাবে বিনিয়োগৰ সুযোগ, নীতি নিৰ্ধাৰকসকলক সন্মিলিত কৰোৱাৰ লগতে ঔদ্যোগিক নেতা, বিনিয়োগকাৰী আৰু অন্যান্য অংশীদাৰীসকল উপস্থিত থাকিব।

এই সন্মিলনৰ শেষৰ দিনা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শ্বিলংঙৰ প'ল' গ্ৰাউণ্ডৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানত অধ্যক্ষতা কৰিব। এই প্ৰকল্পটোৱে পথ যোগাযোগৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়োৱাৰ লগতে সামগ্ৰী আৰু যাত্ৰী পৰিবহনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে প্ৰান্তীয় অঞ্চলসমূহৰ সামাজিক, অৰ্থনৈতিক উন্নয়নত সহায় কৰিব।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত শ্ৰী অমৰনাথ যাত্ৰাৰ প্ৰস্তুতি সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত সেনা বাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভাল, জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, চি আৰ পি এফ, বি এছ্ এফ, চি আই এছ্ এফ, আই টি বি পি আৰু এছ্ এছ্ বি সঞ্চালক প্ৰধান সকলো উপস্থিত থাকে। অমৰনাথ যাত্ৰা অহা ৩ জুলাইত আৰম্ভ হ'ব আৰু ২৮ আগষ্টত সামৰণি পৰিব।

oooooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ অনুষ্ঠিত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা নীটৰ সময় ১৫ মিনিট বৃদ্ধি কৰি ১৮০ মিনিটৰ পৰা ১৯৫ মিনিটলৈ সময় নিৰ্ধাৰণ কৰিছে। নতুন সময় অনুসৰি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বাজি ১৫ মিনিটলৈ পৰীক্ষাৰ অনুষ্ঠিত হ'ব। এই সংশোধিত সময়ৰ ভিতৰত পৰীক্ষাৰ উপস্থিতিৰ বহীত চহী কৰা আৰু অন্যান্য তদাৰকী ব্যৱস্থাসমূহকে ধৰি বাধ্যতামূলক আনুষ্ঠানিকতাসমূহ সম্পন্ন কৰা হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই নীট ইউ জিৰ পৰীক্ষা নিকা, সুৰক্ষিত আৰু দায়বদ্ধভাৱে পৰিচালনা কৰাটো সুনিশ্চিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰিছে। তদুপৰি পৰীক্ষাৰ্থীসকলৰ গণনা আৰু ডায়েগ্ৰাম আদিত সুবিধা হোৱাকৈ প্ৰশ্নকাকতত ৰাফ ৱৰ্কৰ বাবে দুটা পৃষ্ঠাৰ সলনি চাৰিটা পৃষ্ঠা থাকিব বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে।

ooooooooo

আমেৰিকাৰ নীতি নিৰ্মাতা আৰু ব্যৱসায়ী নেতাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাৰতৰ দীৰ্ঘকাল শাসনত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাৰ বাবে শুভেচ্ছা জনাইছে। আমেৰিকাৰ কংগ্ৰেছ আৰু চিনেটৰ সদস্য তথা মুখ্য কোম্পানীসমূহৰ প্ৰতিনিধিসকলে প্ৰধানমন্ত্ৰীলৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰাটোৱে আমেৰিকা, ভাৰতৰ মাজৰ বৰ্ধিত অংশীদাৰিত্বক প্ৰতিফলিত কৰিছে। ৱাৰ বাৰ্গ পিনকাষ্টৰ অধ্যক্ষ ছাৰ্লছ আৰ কেয়ে এখন পত্ৰত কয়, যে প্ৰধানমন্ত্ৰীৰ এই সাফল্যই দেশৰ জনসাধাৰণে দেখুওৱা আস্থা আৰু বিশ্বাসক প্ৰতিফলিত কৰে। অধ্যক্ষগৰাকীয়ে কয়, যে ভাৰত বিশ্বৰ আটাইতকৈ গতিশীল অৰ্থনীতিসমূহৰ অন্যতম হিচাপে নিজৰ স্থিতি শক্তিশালী কৰিছে আৰু গোলকীয় পৰ্যায়ত আগশাৰীৰ শক্তি হিচাপে উত্থান ঘটিছে। ফ্ৰেণ্ডহিলৰ প্ৰতিনিধিয়ে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ শাসনকালে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ জনসাধাৰণৰ বিশ্বাস তেওঁৰ লগত থকাটোকে সূচায়। বিভিন্ন প্ৰযুক্তি নেতাসকলেও তেওঁলোকৰ শুভেচ্ছা বাৰ্তাত ভাৰতৰ অৰ্থনীতি আৰু ডিজিটেল ৰূপান্তৰৰ বিষয়ে আলোকপাত কৰে।

oooooooo

ইজিপ্তৰ বৈদেশিক মন্ত্ৰালয়ে সম্ভাব্য কূটনৈতিক অগ্ৰগতি সন্দৰ্ভত আশা প্ৰকাশ কৰি ৱাছিংটন আৰু তেহৰান কৰ্তৃপক্ষক চুক্তি নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি ইৰানৰ বিৰুদ্ধে হ'বলগীয়া সামৰিক আক্ৰমণ বাতিল সন্দৰ্ভত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কৰা ঘোষণাক ইজিপ্তে প্ৰশংসা কৰিছে। এই ক্ষেত্ৰত কাইৰোই কূটনৈতিক সম্পৰ্কৰ বাবে নিজৰ স্থিতি স্পষ্ট কৰিছে। মন্ত্ৰালয়ে দৃঢ়তাৰে কয়, যে সমন্বয় আৰু সহযোগিতাৰে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলৰ সৈতে উত্তেজনা হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা চলাই আছে। ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানৰ সৈতে যুদ্ধৰ অন্ত পৰা বুলি ঘোষণা কৰি তেহৰান কৰ্তৃপক্ষই কেতিয়াও

পাৰমাণৱিক অস্ত্ৰ নাৰাখিবলৈ সন্মত হোৱা বুলি ঘোষণা কৰাৰ পাছতে কাইৰোৰ পৰা এই কূটনৈতিক সমৰ্থন আগবঢ়োৱা হৈছে।

০০০০০০০০

দেশৰ প্ৰসিদ্ধ শ্যুটিং প্ৰশিক্ষক তথা এছিয়ান গেম্ছত সোণৰ পদক বিজেতা যশপাল ৰানাৰ যোৱানিশা দিল্লীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৯ বছৰ। প্ৰয়াত ৰাণা ভাৰতীয় পিষ্টল শ্যুটাৰসকলৰ প্ৰশিক্ষক হিচাপে কৰ্মৰত আছিল। যশপাল ৰানাই পেৰিছ্ অলিম্পিকত দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰা মনু ভাকৰক বিশেষভাৱে সহায় কৰিছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যশপাল ৰানাৰ মৃত্যুত শোকপ্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে যশপাল ৰাণা এগৰাকী আগশাৰীৰ শ্যুটাৰ আছিল আৰু তেওঁৰ অনবদ্য প্ৰদৰ্শনে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছিল। বিশ্ব শ্যুটিং প্ৰতিযোগিতাসমূহত কেইবাটাও পদক অৰ্জনেৰে ৰানাই ভাৰতীয় ক্ৰীড়াৰ এগৰাকী আদৰ্শ ব্যক্তি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিলে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যশপাল ৰানাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত কয়, যে ৰানাই শ্যুটিঙত লাভ কৰা অসাধাৰণ সাফল্যৰে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছিল। শ্ৰী মোদীয়ে কয়, যে তেওঁ পথ প্ৰদৰ্শক হিচাপে যুৱ খেলুৱৈসকলক নিষ্ঠা সহকাৰে প্ৰশিক্ষণ প্ৰদান কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী ডং মনসুখ মন্দাভিয়াইও প্ৰসিদ্ধ শ্যুটিং প্ৰশিক্ষকগৰাকীৰ মৃত্যুত শোকপ্ৰকাশ কৰে।

০০০০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি টৰণ্টো ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কানাডা বছনিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত কাইলৈ পুৱা চাৰে ছয় বজাত হ'বলগীয়া আন এখন খেলত আমেৰিকা, পেৰাগুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

মেক্সিকোত যোৱা নিশা আটকধুনীয়া উদ্বোধনী অনুষ্ঠানেৰে বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হয়। এজ্টেকা ষ্টেডিয়ামত অনুষ্ঠিত উদ্বোধনী খেলত সহ আয়োজক দেশ মেক্সিকোই দক্ষিণ আফ্ৰিকাক ২-০ গ'লত পৰাস্ত কৰে।

০০০০০০০০

আই আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দশম সংস্কৰণৰ খেলসমূহ আজিৰ পৰা অনুষ্ঠিত হ'ব। বাৰ্মিংহামৰ এজবাষ্টনত হ'বলগীয়া উদ্বোধনী খেলত আয়োজক দেশ ইংলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইংলেণ্ড আৰু ৰেলছত মাহজুৰি হ'বলগীয়া এই প্ৰতিযোগিতাৰ ফাইনেল খেলখন ৫ জুলাইত লৰ্ডছ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। ভাৰতীয় মহিলা দলটোৱে অহা দেওবাৰে নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোক হৰমন প্ৰীত কৌৰে নেতৃত্ব দিয়ে।

০০০০০০০

সমাপ্ত